
# দুলাল চন্দ্ৰ ভট্টাচাৰ্য্য



**দিলীপ কুমাৰ বৰুৱা**

***“শোণিত সুবাস”*** ঃ তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাৱ, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

| | |
|---|---|
| প্ৰকাশক | ঃ নীল কান্ত শৰ্মা<br>সম্পাদক, অসমীয়া ক্লাৱ, তেজপুৰ<br>ৱাৰ্ড নং - ২, পিন ঃ ৭৯৪০০১,<br>ফোন ঃ ৯৪৩৫০০৬৬১০ |
| **দুলাল চন্দ্ৰ ভট্টাচাৰ্য্য** | ঃ দুলাল চন্দ্ৰ ভট্টাচাৰ্য্যৰ জীৱন আৰু কৃতি |
| লিখক | ঃ দিলীপ কুমাৰ বৰুৱা |
| প্ৰচ্ছদ | ঃ কুমুদ বৰুৱা, তেজপুৰ |
| সম্পাদক | ঃ ৰুবুল শৰ্ম্মা |
| সম্পাদনা সহযোগী | ঃ হেমন্ত কুমাৰ লহকৰ |
| © | ঃ অসমীয়া ক্লাৱ, তেজপুৰ |
| প্ৰথম প্ৰকাশ | ঃ অক্টোবৰ, ২০১৩ |
| বৰঙণি | ঃ ২০.০০ টকা |
| ছপা | ঃ টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ |

**ISBN 978-81-928326-1-6**

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অৱগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাব, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাবে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাবৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভুক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাবে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাবৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাবৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাবে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যি সকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাবৰ সৈতে জড়িত আছিল, সেই সকলৰ ক্লাবৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাত কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাব আৰ্থিক দৈন্যত নপৰে।

যি সকলে লিখা প্ৰস্তুত কৰি দি ক্লাবৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'ট্ৰাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাবৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাব, তেজপুৰ**

আধুনিক তেজপুৰ চহৰৰ নিৰ্মাতা সকলৰ ভিতৰত এগৰাকী অন্যতম আগৰণুৱা ব্যক্তি আছিল দুলাল চন্দ্ৰ ভট্টাচাৰ্য্যদেৱ। যি এসময়ত দুলবাবু অথবা দুলদা বুলি সকলোৰে মাজত জনপ্ৰিয় আছিল। পিন্ধনত সাধাৰণ ছুৰিয়া পাঞ্জৱী, ভৰিত এজোৰ চেন্দেল হাতত এডাল সুন্দৰ লাখুটি অতি শুৱনি এই ব্যক্তি গৰাকীক যি এবাৰ লগ পাইছিল তেৱেঁই মোহিত হৈছিল তেওঁৰ ব্যক্তিত্বত। আনহাতে শিক্ষাৰ ক্ষেত্ৰত বা ব্যৱসায়ৰ বা আন যি কোনো কাৰণতে সহায়ৰ বাবে যি এবাৰ তেওঁৰ ওচৰত জীৱন উজলাবলৈ সমৰ্থ হৈছে। ৰূপকোৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সহপাঠী আৰু এগৰাকী ঘনিষ্ঠ বন্ধু 'দুলবাবু' আছিল এক নিজস্ব সৃষ্টিশীল সামাজিক ব্যক্তিত্বৰে ভাস্বৰ। সততা, ত্যাগ, নিষ্ঠা, সময়ানুবৰ্ত্তিতা, মানবতা আদি বহু উচ্চ গুণ সম্পন্ন আছিল তেওঁ। সামগ্ৰীক শিক্ষাৰ প্ৰসাৰৰ বাবে সকলো ত্যাগ কৰিবলৈ তেওঁ প্ৰস্তুত থকাই নহয় কৰিও দৃষ্টান্ত ৰাখিছিল। আধুনিক তেজপুৰ নিৰ্মাতাৰ মাত্ৰ ২০ গৰাকী লোকৰ তালিকা নিৰ্মাণ কৰিলেও দুলবাবুক বাদ দিব পৰা নাযায়। দুৰ্ভাগ্য যে এনে এক বিৰল সৃষ্টিশীল ব্যক্তিত্বৰ ওপৰত কিতাপ এখন লিখিবলৈও সম্বলৰ অভাৱ তথাপি ঘৰ আৰু বিভিন্ন উৎসৰ পৰা সমললৈ কিছু কথা লিখাৰ বিনম্ৰ পয়াস কৰা হ'ল।

দুলাল ভট্টাচাৰ্য্য দেৱ সাংস্কৃতিক নগৰী তেজপুৰৰ এগৰাকী সাহিত্যিক, নাট্যকাৰ, অভিনেতা, শিল্পী একোৱেঁই নাছিল, কিন্তু এচাম সাহিত্যিক নাট্যকাৰ, শিল্পী, ব্যৱসায়ী, উচ্চপদস্থ বিষয়া, কৰ্ম্মচাৰী, খেলুৱৈ গঢ়াৰ কমাৰশালিৰ খনিকৰ আছিল তেওঁ। তেজপুৰ শিক্ষা সমিতিৰ সভাপতি আছিল, তেজপুৰ মহাবিদ্যালয় জন্মদানৰ অন্যতম ব্যক্তি আছিল। তেওঁ বাণ থিয়েটাৰৰ সম্পাদক, সভাপতি আদি মুখ্য বিষয়বাবদ আছিল ১০ বছৰ, *অসমীয়া ক্লাবৰ সভাপতি আছিল বহু বছৰ,* অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ সভাপতি আছিল ১০ বছৰ। উকীল সন্থাৰ সম্পাদক আছিল একেৰাহে ৩৫ বছৰ। দৰং মহাবিদ্যালয়ৰ আৰম্ভণিৰ পৰা ৩৫ বছৰ তেওঁ পৰিচালনা সমিতিৰ সদস্য আৰু কম সময়ৰ বাবে সভাপতি পদটো আছিল। অন্যান্য অনুষ্ঠান সমূহৰ ভিতৰত তেওঁ তেজপুৰৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্টৰ সদস্য আছিল। অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ সদস্য আছিল। অসম ৰাজ্যিক ওৱেৰিং হাউছৰ



সদস্য আদি অনেক পদ তেওঁ অলঙ্কিত কৰিছিল। তেজপুৰ ক্ৰীড়া সন্থাৰ জন্মদাতা সভাপতি হোৱাৰ লগতে ২০ বছৰ ইয়াৰ মুখ্য বিষয়বাব শুৱনি কৰে। তেজপুৰ একাডেমী উচ্চ মাধ্যমিক বিদ্যালয়খন স্বাধীনতা আন্দোলনৰ পটভূমিত জন্ম দি এই বিদ্যালয়ৰ তেওঁ জীয়াই থকা কাললৈকে অৰ্ধশতাব্দী কাল সংপৃক্ত হৈ থাকিল। আনহাতে শোণিতপুৰ জিলাখনত সমবায় আন্দোলনৰ গুৰিধৰোঁতা অন্যতম ব্যক্তি গৰাকীও আছিল দুলাল চন্দ্ৰ ভট্টাচাৰ্য্যদেৱ। তেওঁ সামাজিক কৰ্ম্মৰাজি অতি ব্যাপক তাক লেখনিৰে আৱদ্ধ কৰাও অসম্ভৱ। প্ৰশ্ন হয় এগৰাকী ভাল শিক্ষক আৰু পিছলৈ অধিবক্তা হৈয়ো কিদৰে এজন ব্যক্তিয়ে এই অনুষ্ঠান প্ৰতিষ্ঠান সমূহ সেৰা আগবঢ়াবলৈ সময় দিব পাৰিছিল।

## পৰিয়ালৰ পৰিচয় ঃ

দুলাল ভট্টাচাৰ্য্যৰ উপৰিপুৰুষ আছিল বিশ্বনাথৰ। উনৈশ শতিকাৰ আগভাগত তেখেতৰ আজু ককাক বিশ্বনাথৰ পৰা তেজপুৰলৈ আহে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমৰ শাসন চমজি লোৱাৰ  পিছত জাহাজ চলাচলৰ সুচল দেখি বিশ্বনাথত অসম লাইট ইনফ্ৰেকট্ৰিৰ প্লেটুন এটা ৰখা হৈছিল। পিছত ১৮৩৫ চনত তেজপুৰত জিলাৰ সদৰ স্থাপিত হ'লত বিশ্বনাথৰ পৰা এই মিলিটেৰী ছাউনিটো তেজপুৰলৈ তুলি অনা হয়।

বিশ্বনাথত ভট্টাচাৰ্য্যৰ ঘৰৰ যুৱক এজন ইংৰাজ সামৰিক বিষয়াৰ সংস্পৰ্লৈ আহে। তেওঁৰ ইংৰাজী শিকাৰ আগ্ৰহ জন্মিল। সেই কালত ইংৰাজী শিকাটো আছিল নিষিদ্ধ। ইংৰাজী শিকিলে জাত যায়। এই ব্ৰাহ্মণ বালকজনে লুকাই চুৰকৈ অলপ-অচৰপ ইংৰাজী শিকিলে কথাটো জনাজাত হৈ পৰিল। ভয় খাই যুৱক পলাল। ইংৰাজ Political Agent গৰাকীৰ সহায়ত জাহাজেৰে আহি তেজপুৰ পালেহি আৰু উপায়ুক্ত মেথিক লগ ধৰিলে। মেথিয়ে তেওঁক আদৰিলৈ উপায়ুক্তৰ কাৰ্য্যলয়ত কেৰাণী চাকৰি দিলে।

বৃকোদৰৰ পুতেক হ'ল ভবানী চৰণ ভট্টাচাৰ্য্য (১৮৪৫-১৯২১)। ভবানী চৰণ অসমীয়া চাকৰিয়াল হিচাবে বৰ জনপ্ৰিয় আছিল। তেওঁক সকলোৱে ভবানী বাবু বা বাবু বুলি মাতিছিল।  তেওঁ তেজপুৰ আৰু মঙ্গলদৈত

তহছিলদাৰ আছিল। ১৮৮৯ চনত তেওঁ স্ব-ইচ্ছাই অৱসৰ গ্ৰহণ কৰে। পিছলৈ তেওঁ ৰায় চাহেব খিতাপ লাভ কৰে আৰু অবৈতনিক ন্যায়াধীশ হিচাপে তেওঁক প্ৰথম শ্ৰেণীৰ মেজিষ্ট্ৰেটৰ ক্ষমতা দিয়া হৈছিল। ভবানী চৰণে এনে ক্ষমতা পোৱাটোৱে তেওঁৰ ৰাজহুৱা প্ৰভাব আৰু প্ৰতিপত্তিৰ সাক্ষ্য বহন কৰিছে। ১৯০২ চনত দিল্লীত হোৱা দৰবাৰলৈ অসমৰ প্ৰতিনিধি হিচাবে নিমন্ত্ৰিত হৈছিল। কিন্তু স্বাস্থ্যজনিত কাৰণে তেখেতে যোগদান কৰিব নোৱাৰিলে।

ভবানী চৰণ আছিল তেজপুৰৰ মূধাফুটা লোক। বহুতো ৰাজহুৱা অনুষ্ঠানত তেওঁৰ অৰিহণা আছে। ইয়াৰ ভিতৰত ৰায়ত সভা, (১৮৮৪) অসমীয়া ভাষা উন্নতি সাধিনী সভা (১৮৮৪), বাণষ্টেজ (১৯০৬) আৰু মহাভৈৰৱ কো অপাৰেটিভ বেংক (১৯০৭)। উল্লেখ যোগ্য ১৯০১ খৃষ্টাব্দত তেজপুৰৰ পৰা মথুৰামোহন বৰুৱাই ‘অসম বন্তি’ নামে বাৰ্তালোচনী এখন উলিয়ায়। ভবানীচৰণ এই কাকতৰো পৃষ্ঠপোষক আছিল। ‘‘আসাম বন্তিৰে ছপাশাল তেওঁৰ মাটিতে বহুওৱা হৈছিল আৰু তাৰ বাবে তেওঁ পইচা লোৱা নাছিল।

এই ভবানী চৰণৰ পুতেক দুজন; এজন আমাৰ ‘ঘোৰা নিদান’ৰ তাৰিণী চৰণ (১৮৭১-১৯২৭) আৰু আনজন কালীচৰণ (১৮৯০-১৯৬৩)। তাৰিণী চৰণে বি, এ পাছ কৰি উঠি এছ, ডি, চিৰ চাকৰিত সোমাই। তাৰিণী চৰণৰ ভায়েক কালীচৰণে আইন ব্যৱসায়ত বিশেষ সুনাম আৰ্জিছিল। ৰাজহুৱা জীৱনতো তেওঁ এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।

ভবানীচৰণ ভট্টাচাৰ্য্যৰ কলিবাৰী ঘৰখন ‘বাবুৰ ঘৰ’ আৰু ফুলনিবাৰী বুলি জানিছিল। ফুলনিবাৰী বুলি জনাৰ মূল কথা আছিল ঘৰৰ চোতালত নানান ফুলৰ এখনি সুন্দৰ বাগিছা আছিল। ঘৰটো আছিল প্ৰকাণ্ড খেৰিঘৰ। তেখেতে শিশুৰ শিক্ষাৰ বাবে নিজৰ ঘৰতে ১৯০১ চনত নিজৰ কন্যা কুন্তী দেবীক শিক্ষয়িত্ৰী হিচাবে লৈ এখনি বিদ্যালয় আৰম্ভ কৰে। ছোৱালীৰ সেইসময়ত বিদ্যালয়লৈ যোৱাত কিছু বাধা আছিল। ছোৱালীৰ শিক্ষাৰ বাবে এই বিদ্যালয় খনি আৰম্ভ কৰে। কুন্তী দেৱীয়ে স্ত্ৰী শিক্ষাৰ প্ৰচাৰৰ বাবে তেজপুৰত প্ৰথম এই ব্যতিক্ৰমী প্ৰচেষ্টা চলোৱাত সেই সময়ত ইংৰাজ প্ৰশাসনে তেওঁক পুৰস্কৃত কৰে। কুন্তি দেৱীয়ে সুন্দৰ ‘চানেকী’ আকিব



জানিছিল আৰু পুৰস্কাৰো পাইছিল। কুন্তী দেৱীৰ হঠাৎ মৃত্যু হোৱাত পিচলৈ এই বিদ্যালয় তেজপুৰ গাৰ্লচ এম. ভি. স্কুল নামেৰে আত্ম প্ৰকাশ কৰে। ১৯০৮ চনত এই তেজপুৰ অসমীয়া ছোৱালী মজলীয়া স্কুলতে দুলাল ভট্টাচাৰ্য্যই প্ৰথম নামভৰ্ত্তি কৰে। সেই সময়ত ভবানী চৰণ ভট্টাচাৰ্য্যই তেখেতৰ চৌহদত কিছু খেৰিঘৰ নিৰ্মাণ কৰি লৈছিল যত জামুগুৰিৰ পৰা কলাবাৰী আদি দুৰ-দুৰণিৰ মেধাবি ছাত্ৰ আহি থাকি নিজে খাই বিদ্যালয়ত পঢ়িব পাৰিছিল। থকাৰ বাবে ছাত্ৰ সকলে কোনো খৰচ বহন কৰিব নালাগে। তদুপৰি অভাৱী ছাত্ৰক পঢ়াৰ বাবে থকা খোৱাৰ বাবেও তেখেতে সহায় কৰিছিল।

সেই সময়তে ভট্টাচাৰ্য পৰিয়ালৰ ঘৰখনেই আছিল শিক্ষা সাহিত্য-সংস্কৃতিৰ এক প্ৰাণ কেন্দ্ৰ। সংস্কৃতিৰ আন এক প্ৰাণকেন্দ্ৰ আছিল ভবানী চৰণৰ ঘনিষ্ঠ বন্ধু হৰিবিলাস আগৰৱালাৰ ‘পকী’ও। সেই সময়ত ভবানীচৰণৰ পৰিবাৰৰ সভাপতিত্বত ভবানীচৰণৰ চৰাঁ ঘৰত প্ৰথমে তেজপুৰ মহিলা সমিতিৰ সভা বহে।

ভট্টাচাৰ্য্য পৰিয়ালৰ চ’ৰা ঘৰতে অনুষ্ঠিত হৈছিল সাহিত্য চ’ৰা, মাহেকত এবাৰ এই চ’ৰা অনুষ্ঠীত হয় য’ত কলিকতাৰ অসমীয়া ছাত্ৰ সকলে অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰত আগবঢ়োৱা সেৱা আলোচনাৰ লগতে নিজৰ ভিতৰত প্ৰতিভাৰ আবিষ্কাৰ কৰা হয়। এই চৰাত ভাগ লওঁতা সকল আছিল লক্ষীকান্ত মিশ্ৰ ভাগৱতী, জয়দেৱ শৰ্মা, অধ্যাপক, বেথাৰাম শৰ্মা, মহেশ্বৰ দেৱ গোস্বামী, লক্ষীকান্ত দাস, হৰিবিলাস আগৰৱালা, যদুকান্ত অধ্যাপক আদি। সেই সময়ত সঙ্গীতাচাৰ্য্য লক্ষীৰাম বৰুৱা কলিবাৰীতে আছিল। ভবানী চৰণ ভট্টাচাৰ্য্যৰ ঘৰত এখন চেতাৰ আছিল, মাজে সময়ে লক্ষীৰাম বৰুৱাই সেই সমজুৱাৰ আগত বজাইছিল। আলোচনাৰ অন্তত সকলোৱে জলপান খাইছিল। চাহৰ ব্যৱস্থা নাছিল। কিবা গুৰুত্বপূৰ্ণ কথা আলোচনা কৰিবলৈ থাকিলে সকলো আহি ভবানীচৰণ ভট্টাচাৰ্য্যৰ চ’ৰা ঘৰতে মিলিত হৈছিল।

ভবানীচৰণৰ পুতেক তাৰিণীচৰণ ভট্টাচাৰ্য্য আছিল মাটিৰ হাকিম (S.D.C.) সেই সময়ত চাইকেলৰ প্ৰচলন নাছিল ঘোঁৰাই আছিল মানুহৰ ঘাই বাহন। ঘোঁৰাত উঠিয়ে তেওঁ মফচললৈ গৈছিল। ঘোঁৰাত উঠা, পোহপাল আৰু প্ৰতিপালন কৰাত তাৰিণীচৰণৰ বৰ চখ আছিল। তেখেতৰ অৱসৰলৈ কেই মাহমান থকাত তেখেতে কমিচনাৰ (Mr. Bentimall) চাহাবক দেখা কৰিবলৈ

গৈছিল। কমিচনাৰে জানিছিল যে তাৰিণীচৰণ ভট্টাচাৰ্য্য ঘোৰাৰ বিষয়ত এজন অভিজ্ঞলোক। সেই কাৰণে টাই ভাষাত লিখা ঘোঁৰাৰ নিদানখন তেখেতক ইংৰাজী লৈ অনুবাদ কৰিবলৈ দিলে। তেখেতৰ পণ্ডিত হেমচন্দ্ৰ গোস্বামীক লগ ধৰি কামৰূপ অনুসন্ধান সমিতিৰ পৰা পুথিখন সংগ্ৰহ কৰে। কামৰূপৰ বুলবিল সত্ৰৰ পৰাও কিছু পুথি সংগ্ৰহ কৰে। ঘোঁৰাৰ নিদান খন কৰি থাকোতেই বেজালিৰ পুথি এখন লিখিবলৈ আৰম্ভ কৰে। আৰু অসমীয়া বনৌষধবোৰ হাবিয়ে বননিয়ে তেওঁ বিচাৰি চলাথ কৰি ফুৰিছিল। সেয়ে হ'লে এনে বিধৰ গৱেষক অসমৰ তেৱেঁই প্ৰথম হ'ব। ঘোঁৰাৰ নিদানখন লিখি শেষ কৰি গুৱাহাটীলৈ আহি ইংৰাজী ভাঙনিখিনি সূৰ্যকুমাৰ ভূঞাৰ লগত বহি পোনাই পজৰাই থাকোতেই তাৰিণীচৰণ ভট্টাচাৰ্য্য ঢুকাল। ১৯২৭ চনৰ ১৫ ডিচেম্বৰত। পিছত তেতেতৰ ভায়েক কালীচৰণ ভট্টাচাৰ্য্যই প্ৰেছ কপিটো যুগুত কৰি দিলে। সেইটোকে চৰকাৰে ১৯৩২ চনৰ জানুৱাৰীত ছপা কৰি উলিয়াই এফালে ইংৰাজীত আৰু এফালে অসমীয়াত এই কিতাপখনৰ কাৰণে তাৰিণীচৰণ ভট্টাচাৰ্য্যক চৰকাৰে ৫০০ টকাৰ পুৰস্কাৰ (মৰণোত্তৰ) দিছিল।

তাৰিণী চৰণ ভট্টাচাৰ্য্যৰ জ্যেষ্ঠ সন্তান দুলাল চন্দ্ৰ ভট্টাচাৰ্য্যৰ ১৯৩০ চনত জন্ম আৰু ১৯৮১ চনত মৃত্যু হয়। তেখেতৰ হাততো উপৰিপুৰুষৰ বংশগৌৰৱ অক্ষুন্ন হৈ ৰয়। প্ৰায় ৫০ বছৰৰো ওপৰ কাল তেওঁ আছিল তেজপুৰ ৰাজহুৱা জীৱনৰ কৰ্ণধাৰ। দুলাল ভট্টাচাৰ্য্যৰ শৈশৱ আছিল বৰ মনোৰম পৰিয়ালৰ প্ৰথম সন্তান গতিকে পৰিয়ালত ল'ৰা জন্মৰ আনন্দৰ সীমা নাই। ল'ৰা চপৰা কৰিব পৰাৰ পৰাই তেওঁ কেঞ্জাপোন মাৰি ছুৰিয়া পিন্ধে। তেতিয়া অসমীয়া সমাজত হাফপেন্টৰ প্ৰচলন নাছিল। শৈশৱত তেওঁ বৰ লাজকুৰীয়া স্বভাৱৰ আছিল। সেয়েহে সেই সময়ত কলিবাৰী বাণষ্টেজ নাটকৰ বাবে বিখ্যাত আছিল যদিও তেওঁ অভিনয়ৰ পৰা লাজতে পলাই ফুৰিছিল। এই শৈশৱৰ স্বভাৱৰ বাবেই পিচলৈ বাণথিয়েটাৰৰ বহুকেইটা গুৰুত্বপূৰ্ণ বিষয় বাব ললেও তেওঁ অভিনয় নকৰিলে।

দুলাল ভট্টাচাৰ্য্যৰ শৈশৱৰ আন এটা গুৰুত্বপূৰ্ণ ঘটনা হ'ল। তেওঁ জন্মগত ভাবে বাওঁহটীয়া আছিল। সোঁ হাততকৈ বাওঁ হাতখনেই সকলো ক্ষেত্ৰতে আগবাঢ়ি গৈছিল। পিছত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰীয়ে এই স্বভাৱৰ কাৰণে তেওঁক ক্ষতি কৰিব বুলি ভাবি অধ্যাধিক শাস্তি দি তেওঁক



সোঁহতীয়া কৰে। ইয়াৰ ফলত তেওঁৰ স্বভাৱগত প্ৰতিভা বিকাশত অন্তৰাই হ'ল বুলি ভবা হয়। কিয়নো পৃথিৱীৰ বহু বাওঁহতীয়া লোকৰ প্ৰতিভাৰ বিশেষত্বৰ কথা আমি জানিব পাৰো।

সেই সময়ত ভট্টাচাৰ্য্য পৰিয়ালত প্ৰতিবছৰে দুৰ্গাপূজা, কালিপূজাৰ উপৰিও বাৰ্ষিক বহু কেইটা পূজা অনুষ্ঠিত হৈছিল। এই পূজা আজিও চলি আছে। সেই সময়ৰ ভট্টাচাৰ্য্য পৰিয়ালৰ বাবুৰ ঘৰৰ দুৰ্গাপূজা আৰু দুৰ্গাপূজাৰ নাটক চাবলৈ লোকে লোকাৰণ্য হয়। কলিবাৰীৰ লক্ষীকান্ত দাসৰ ঘৰটো দুৰ্গাপূজা হৈছিল আৰু নাটকো হৈছিল। বাণ থিয়েটাৰ আৰম্ভৰ আগেয়ে নাটকৰ পৰিৱেশ ৰচনা হয় এই দুখন দুৰ্গাপূজাতে।

দুলাল ভট্টাচাৰ্য্যই প্ৰাথমিক শিক্ষা সমাপ্ত কৰি তেজপুৰ চৰকাৰী হাইস্কুলত পঢ়ে আৰু তাৰ পৰাই প্ৰথম বিভাগত মেট্ৰিক পাচ কৰি কলিকতালৈ পঢ়িবলৈ গ'ল। কলকতাত পঢ়ি থকা অৱস্থাতে দেশত বলা স্বাধীনতা আন্দোলনৰ গৰম বতাহে ছাত্ৰ সকলৰ ওপৰতো প্ৰভাৱ পেলাইছিল।

এদিন নেতাজী সুভাষ চন্দ্ৰ বসুৱে বিদ্যাসাগৰ কলেজ হোষ্টেলত উদাওকণ্ঠেৰে পৰাধীন ভাৰতৰ সমস্যা আৰু ছাত্ৰ সকলৰ কৰণীয় কৰ্ত্তব্যৰ ওপৰত বক্তৃতা দিয়ে। বসুৱে ছাত্ৰ সকলক ভাৰতৰ স্বাধীনতা আন্দোলনত জৰিত হ'বলৈ আহ্বান দিয়ে। বসুৰ সৈতে হোষ্টেলৰ ল'ৰাবোৰে আলোচনাত মিলিতহৈ পঢ়া এৰি নিজ নিজ ঘৰুৱা অঞ্চলত স্বাধীনতা আন্দোলনত জড়িত হোৱাৰ সিদ্ধান্ত লয়।

সেই মৰ্ম্মে দুলাল চন্দ্ৰ ভট্টাচাৰ্য্যই পঢ়া এৰি দেশ জননীৰ সেৱাৰ বাবে আহি তেজপুৰ পায়হি আৰু বন্ধু জ্যোতি প্ৰসাদ আগৰৱালাৰ সৈতে স্বাধীনতা আন্দোলনত জৰিত হয়। সেই সময়ত তেজপুৰ যুবচামৰ ভিতৰত স্বাধীনতাৰ অগ্ৰগামী সেনানী আছিল জ্যোতিপ্ৰসাদ আগৰৱালা। ঘৰত দুজনকৈ ইংৰাজ প্ৰশাসনৰ দায়িত্বপূৰ্ণ চাকৰিয়াল থকা অৱস্থাটো এইবোৰলৈ কেৰেপ নকৰি ১৯২২ চনৰ ভাৰতৰ স্বাধীনতা আন্দোলনত দুলাল ভট্টাচাৰ্য্য জৰিত হৈ পৰে। সহযোগী হ'ল গুণাভিৰাম শৰ্মা, ফটিক শৰ্মাও। বিদেশী বস্তু বৰ্জন আৰু বিদেশী বস্ত্ৰ পোৰা অভিযানত মহেন্দ্ৰ ফুকনৰ লগত দুলাল ভট্টাচাৰ্য্য জৰিত হৈ পৰে। এবাৰ শৰ্মাই দুলাল ভট্টাচাৰ্য্যক জ্যোতিপ্ৰসাদৰ সৈতে ঢেকীয়াজুলিলৈ গৈ হাটত কংগ্ৰেছৰ দলৰ হৈ ধন সংগ্ৰহ কৰিবলৈ নিৰ্দ্দেশ দিয়াত দুয়ো

চাইকেলমাৰি ঢেকিয়াজুলি হাটলৈ গৈ কংগ্ৰেছ দলৰ বাবে ধন সংগ্ৰহ কৰে। ওপৰত প্ৰখৰ ৰ'দ তলত ধূলি কেঞা গোলাত কেৱল পানীখাই দুয়ো ভোকে লঘোনে আহি ডিপুতাৰ লম্বোদৰ কলিতাৰ ঘৰ পাইহি আৰু তাতে দৈ-জলপান খাই গাত বল পাই কোনোমতে ঘৰ পালেহি। জ্যোতি প্ৰসাদ কেইদিনমান ঘৰতে সোমাই থাকিল।

সেই সময়তে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পণ্ডিত মদন মোহন মালব্য তেজপুৰলৈ আহি 'পকী'ত আছিল। মদন মোহন মালব্যৰ বক্তৃতা আৰু উচ্চ ব্যক্তিত্বত দুলাল ভট্টাচাৰ্য্য বৰকৈ মোহিত হয়। সেই সময়তে আন্দোলন কিছু স্তিমিত হোৱাত লক্ষীধৰ শৰ্মা আৰু অমিয় কুমাৰ দাসে দুলাল ভট্টাচাৰ্য্যৰ পিতৃ তাৰিণী চৰণ ভট্টাচাৰ্য্যক এই গৰাকী পণ্ডিতৰ লগত দুলাল ভট্টাচাৰ্য্যক বানাৰসীলৈ পঢ়িবলৈ পঠাবলৈ অনুৰোধ কৰে। দেউতাকে ভাবি চিন্তি মালব্যৰ লগত বেনাৰচলৈ পঠাই দিয়ে। লগত ওলাল গুণাভিৰাম শৰ্মা, ফটিক শৰ্মা আৰু ডিপোতাৰ নেত্ৰধৰ শইকীয়া। বেনাৰচ হিন্দু বিশ্ব বিদ্যালয়ৰ পৰা ভট্টাচাৰ্য্যই ১৯২৬ চনত বি, এ, পাছ কৰে। আমি জনামতে দুলাল ভট্টাচাৰ্য্য বেনাৰছ হিন্দু বিশ্ববিদ্যালয়ৰ প্ৰথম অসমীয়া স্নাতক আছিল। পিছত আইন আৰু এম, এ, পঢ়িবলৈ কলকতালৈ আহে যদিও দেউতাকৰ মৃত্যু হোৱাত অধ্যয়ন সমাপ্ত হ'ল। ইয়াৰ পিছত তেখেতক যচা চৰকাৰী চাকৰি কৰিবলৈ অসন্মত হৈ গুৱাহাটীৰ আৰ্ললৰ্' কলেজত আইন পঢ়িবলৈ লয়। ১৯৩০ চনত তেখেতে এই কলেজৰ পৰাই আইনৰ ডিগ্ৰি লয়।

## বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপন ঃ

দুলাল ভট্টাচাৰ্য্য যি সময়ত স্নাতক ডিগ্ৰী লাভ কৰি তেজপুৰলৈ ঘুৰি আহে সেই সময়ত বহুকেইটা লোভনীয় চৰকাৰী পদে তেওঁক হাতবাউলদি মাতিছিল। পৰিয়ালৰ লোকসকলে বিচাৰিছিল তেওঁ এটা ভাল চৰকাৰী পদত মকৰল হওঁক আৰু নিজৰ ভৱিষ্যত সুখ আৰু আনন্দৰে ওপচাই পেলাওক। যদি সমস্যাসেৱা কৰিব বিচাৰে তেন্তে এটা বৃত্তৰ ভিতৰত থাকি কাম কৰক। তেওঁৰ ককা-দেউতাকে বাণ থিয়েটাৰৰ বাবে মাটি দান কৰি নাট্যনুষ্ঠানৰ গঠনত আগভাগ লৈছে। দেউতাকে আকৌ বাণ থিয়েটাৰ নিৰ্মাণত ধন সংগ্ৰহ আদিৰ দৰে কাম কৰিছে। কিন্তু যি কাম নকৰক কিয় ইংৰাজে সেইকাম তেওঁলোকৰ



বিপক্ষে কৰা বুলি ভাবিব নালাগিব। কিন্তু দুলাল ভট্টাচাৰ্য্যই স্বাধীনতা আন্দোলনৰ মাজেৰে সাধাৰণ ৰাইজৰ মাজত কাম কৰাৰ আনন্দ লৈছে। সেই দেশপ্ৰেম সেই সমাজ প্ৰেম সেই মানুহ ভালপোৱাৰ মনটোৱে তেওঁক সদাই আমনি কৰে। তেওঁ চৰকাৰী চাকৰি কৰি ইংৰাজৰ বহতীয়া হ'ব নোখোজে সাধাৰণ মানুহৰ লগত থাকি কিবা এটা পৰিবৰ্ত্তন কৰিব বিচাৰে। প্ৰয়োজন হ'লে তেওঁ পৰিয়ালৰ চিন্তাৰ, ইচ্ছাৰ বিপৰীতে থাকিবলৈও ভয় নকৰে।

১৯৩০ চনৰ আইন অমান্য আন্দোলন দুৰ্ব্বল কৰিবলৈ শিক্ষা বিভাগত ইংৰাজ চৰকাৰে কানিংহাম চাকোলাৰ জাৰি কৰে। এই চাৰ্কোলাৰ মতে প্ৰত্যেক ছাত্ৰয়ে আন্দোলনত অংশ নলয় বুলি অভিভাৱকৰ পৰা লিখিত প্ৰতিশ্ৰুতি দিব লাগিব। তদুপৰি চৰকাৰী চাকৰিয়াল অথবা পেঞ্চন পাওঁতাৰ ছাত্ৰয়ে আন্দোলনত অংশ গ্ৰহণ কৰিলে পিতৃয়ে লাভ কৰা চৰকাৰী সুবিধা কৰ্ত্তন কৰা হ'ব। এইলৈ অসমজুৰি বিৰ্তক সৃষ্টি হ'ল।

এই চাৰ্কোলাৰ খনিকলৈ ছাত্ৰ সকলে বিক্ষোভ প্ৰৰ্দশন কৰিলে। কানিংহাম চাহাবৰ প্ৰতিমূৰ্ত্তি দাহ কৰিও প্ৰতিবাদ হ'ল। চৰকাৰী বিদ্যালয়ৰ সমান্তৰালকৈ বে-চৰকাৰী বিদ্যালয় স্থাপনৰ যো-জা চলিল। সেই মৰ্ম্মে তেজপুৰত এখন বে-চৰকাৰী বিদ্যালয় তেজপুৰ একাডেমী স্থাপনৰ প্ৰচেষ্টা চলিল। ইয়াৰ মুখ্য উদ্যোক্তা আছিল দুলাল চন্দ্ৰ ভট্টাচাৰ্য্য দেৱ। মনমোহন লাহিড়ীৰ সভাপতিত্বত বহা সভাত কালীচৰণ ভট্টাচাৰ্য্যক সম্পাদক হিচাবে লৈ এখনি পৰিচালনা সমিতি গঠন কৰা হ'ল। সমিতিৰ আন সদস্য সকল আছিল পদ্মনাথ গোহাঞি বৰুৱা, অমৰেন্দ্ৰ মোহন বোস, নগেন্দ্ৰ চন্দ্ৰ গাংগুলী আৰু মহেশ্বৰ দেৱ গোস্বামী। বিনা পাৰিশ্ৰমিকৰে প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰিলে দুলাল চন্দ্ৰ ভট্টাচাৰ্য্যই। সেই মৰ্ম্মে ১১-৮-৩০ তাৰিখে ৬৪ জন ছাত্ৰৰে বাণ থিয়েটাৰত এই নতুন বিদ্যালয়ৰ আৰম্ভ হ'ল। চহৰৰ বিভিন্ন বিষয়ত খ্যাতি সম্পন্ন উকিল কেইজনমানে বিনা পাৰিশ্ৰমিকৰে পুৱা বেলা কিছুদিন শিক্ষা দান কৰে। ইংৰাজ প্ৰশাসনৰ চাকৰিৰ সুবিধা এৰি স্বাধীনতা সংগ্ৰমাৰ পক্ষত স্থাপন হোৱা বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পদ গ্ৰহণ কৰাটোৱে দুলাল ভট্টাচাৰ্য্যৰ দেশপ্ৰেম, সমাজৰ প্ৰতি থকা গভীৰ ভাল পোৱা পৰিচয় প্ৰকাশ পালে। এই ঘটনাৰ পিছৰ পৰাই ভট্টাচাৰ্য্য দেৱৰ জীৱন প্ৰৱাহৰো এক পৰিৰৰ্ত্তন আহিল আৰু ক্ৰমে ক্ৰমে সাধাৰণ মানুহৰ মাজলৈ দুৰ্ব্বাৰ সপোনলৈ

তেওঁ আগবাঢ়ি গ'ল। আনকি পিছলৈ নিজৰ পৰিয়ালৰ মাটিলৈ বিদ্যালয় খনি অস্থায়ী ঘৰ সাজি উঠাই নিয়া হয়। আৰু স্থায়ী শিক্ষকৰে নিয়মীয়া স্কুল বহিবলৈ ল'লে। আৰু এটা শৈক্ষিক পৰিৱেশত অধ্যয়ন কৰিবলৈ পোৱা সুফল হিচাপে প্ৰথম বছৰতে প্ৰৱেশিকা পৰীক্ষাত কেইবাজনো ছাত্ৰই সুখ্যাতিৰে উত্তীৰ্ণ হৈ তেজপুৰ একাডেমীৰ গৌৰৱ কঢ়িয়ায় আনে। সেই সময়তে দুলাল ভট্টাচাৰ্য্যই ওকালতিত যোগ দিবলৈ ওলোৱা বুলি গম পাই স্কুল কৰ্তৃপক্ষ আৰু ছাত্ৰৰ হেচাত পৰি আকৌ নামমাত্ৰ মাননিৰ নিছিনাকৈ কেইটা মান টকালৈ আকৌ স্কুলৰ দায়িত্ব লয়।

১৯৩৬ চনত মাটি বন্ধবস্তী কাৰ্য্যালয় গৃহ তেজপুৰ একেডেমীয়ে লাভ কৰে। আৰু তালৈ বিদ্যালয় তুলি নিয়া হয়। কাৰ্য্যালয় ঘৰটো স্কুলৰ কাৰণে সুবিধা কৰি লবলৈ টকাৰ দৰকাৰ হ'ল। বৰদিনৰ বন্ধত দুলাল ভট্টাচাৰ্য্যই জামুগুৰীৰ পৰা কলাবাৰীলৈকে চাহ বাগান আৰু ওচৰে-পাজৰে ঘূৰি ৪০০ মান টকা সংগ্ৰহ কৰি আনে আৰু সেইফালে পঢ়িবলৈ শুবিধা নোপোৱা কিছু ল'ৰাক তেখেতে লৈ আনি তেজপুৰ একাডেমীত নাম লগাই দিয়ে। তেখেতে পঢ়াশুনাৰ লগতে খেলা-ধূলাতো উৎসাহ দিবৰ কাৰণে স্কুলৰ জাৰ্চি পিন্ধি স্কুল টীমৰ হৈ ফুটবল খেলিছিল। ভলী আৰু ক্ৰিকেটো খেলিছিল। তেখেতৰ কঠোৰ আৰু মৰমীয়াল শাসনে এখন আগশাৰীৰ শিক্ষানুষ্ঠান ৰূপে প্ৰতিস্থা লাভ কৰে। জীৱনৰ সকলোতকৈ মূল্যবান সময় শিক্ষকতাত মনোনিবেশ কৰে। যি দিনা তেখেত স্কুলৰ পৰা অৱসৰ লয় সেইদিনা পিতৃহাৰা সন্তানৰ দৰে শতক ছাত্ৰই তেখেতক ঘূৰাই আনিবলৈ তেখেতৰ গৃহ প্ৰাঙ্গণত ভৰি পৰিছিল। তেখেতে সান্তনাৰ বাণীৰে তেওঁলোকক উভতাই পঠাইছিল আৰু জীয়াই থকা দিনলৈকে অৰ্ধশতাব্দী ৪ খন স্কুলৰ সম্পাদক আৰু সভাপতি হৈ আছিল।

তেজপুৰ একাডেমী এই পৰ্য্যায়লৈ উন্নীত কৰাৰ গুৰিতে যিজন লোকে একাডেমীকে ধ্যান জ্ঞান ৰূপে লৈ জীৱনৰ সকলো কৰ্ম ক্ষমতা দান কৰি গ'ল- সেই শিক্ষাবিদে দৰং কলেজ, তেজপুৰ কলেজ গঢ়ি তোলাতো আগভাগ লোৱা নীৰৱ কৰ্মী স্বৰ্গীয় দুলাল ভট্টাচাৰ্য্য ছাৰক শ্ৰদ্ধাৰে সোঁৱৰণ কৰো। তেখেতে অতি লোভনিয় এচ ডি চি পদ পোৱাৰ সম্ভৱনাকো নেওচি ৩০-৬০ টকা বেতন লৈয়েই একাডেমীত জীৱনৰ কাল কটালে। সেই টকাৰে তেখেতে বহু দুখীয়া ল'ৰাক সহায় কৰোতে খৰছ কৰিছিল। তেখেতেই নিজৰ বহু টকা



ব্যয় কৰি প্ৰথম স্কুল ঘৰটো সজাইছিল। এই স্কুলৰ ক্ৰমে তিনিজনকৈ অধ্যক্ষই ৰাষ্ট্ৰপতিৰ পদক পোৱাটো অকল স্কুলখনৰে গৌৰৱ নহয় তেজপুৰৰে গৌৰৱ আৰু আনন্দৰ কথা। এই স্কুলখন এই পৰ্য্যায়লৈ অহাৰ ভিত্তি ৰচক প্ৰয়াত দুলাল ভট্টাচাৰ্য্য ছাৰৰ স্মৃতি অমৰ হওঁক। (শ্ৰী ৰমেশ শৰ্মা প্ৰাক্তন ছাত্ৰ শিক্ষক তেজপুৰ একাডেমী স্মৃতিগ্ৰন্থ সোণালী জয়ন্তী তেজপুৰ একাডেমী)।

১৯৪৫ চনত তেজপুৰত উচ্চ শিক্ষাৰ অনুস্থান দৰং মহাবিদ্যালয় স্থাপন হয়। এই মহাবিদ্যালয়ৰ জন্ম আৰু লালন পালনৰ কালছোৱাত কমলা আগৰৱালা, কামাক্ষা এপাঠী, মোহিনী ফুকন লগত দুলাল ভট্টাচাৰ্য্যই সক্ৰিয় অংশ গ্ৰহণ কৰে। মোহিনী ফুকন আৰু দুলাল ভট্টাচাৰ্য্যই অবিভক্ত দৰং জিলাৰ ইমুৰৰ পৰা সিমুৰলৈ কলেজৰ কাৰণে দান বৰঙণী সংগ্ৰহ কৰিছিল। ভট্টাচাৰ্য্য আৰম্ভণীৰ পৰা মৃত্যু দিনলৈকে প্ৰায় ৩৬ বছৰ কাল পৰিচালনা সিমিতিৰ সদস্য আৰু কিছু বছৰ ভাৰপ্ৰাপ্ত সভাপতি আছিল। দৰং মহাবিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰায় ২০ বছৰৰ পিছতে ১৯৬৫ চনত তেজপুৰ মহাবিদ্যালয় স্থাপন হয়। এই মহাবিদ্যালয় মুখ্য গুৰিয়াল আছিল দুলাল চন্দ্ৰ ভট্টাচাৰ্য্য দেৱ। ইয়াৰ ইতিহাসৰ বিবৰণ নিদিয়াকৈ মাথো এটা কথা ক'ব লাগিব যে তেজপুৰ মহাবিদ্যালয় দুলাল ভট্টাচাৰ্য্যৰ জীৱনৰ অন্যতম কীৰ্তিস্তম্ভ। দুলাল ভট্টাচাৰ্য্যৰ তেজপুৰৰ শিক্ষা জগতলৈ অৱদানৰ ওপৰত মন্তব্য দি বুৰঞ্জীবিদ সদানন্দ চলিহাদেৱে লিখিছিল আনবোৰ বাদদিলেও দুলাল ভট্টাচাৰ্য্যই দুটাকৈ কালভয়ী সৌধ নিৰ্ম্মাণ কৰি থৈ গৈছে। এটা হ'ল তেজপুৰ একাডেমী আৰু আনটো হ'ল তেজপুৰ মহাবিদ্যালয়।

১৯৭২ চনত প্ৰতিষ্ঠা হোৱা তেজপুৰ আইন মহাবিদ্যালয়ৰ দুলাল ভট্টাচাৰ্য্য প্ৰতিষ্ঠাপক সভাপতি আছিল। মৃত্যুৰ দিনলৈকে তেখেত এই মহাবিদ্যালয়ৰ সভাপতি আছিল। তদুপৰি দুলাল ভট্টাচাৰ্য্য ৮ বছৰ ধৰি তেজপুৰ স্কুল বৰ্ডৰ সভাপতি পদত আছিল। এই পদত থাকোতে বহুকেইখন প্ৰাথমিক বিদ্যালয় তেখেতে স্বীকৃতি প্ৰদান কৰে। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্থাপনৰ সময়তো তেখেত জৰিত থকাৰ লগতে এসময়ত এই বিশ্ববিদ্যালয়ৰ ক'টৰ সদস্য পদতো আছিল।

## বাণ থিয়েটাৰত সেৱা ঃ

আমি আগতেই লিখিছো যে দুলাল ভট্টাচাৰ্য্য সৰু কালৰ পৰা লাজকুৰীয়া স্বভাৱৰ আছিল। সেয়েহে তেওঁ নাটক অভিনয় কৰা নাছিল। তথাপি প্ৰায় সমষ্ট জীৱন জুৰি তেখেত বাণ থিয়েটাৰৰ উন্নতিৰ সেৱাত, সাহিত্য সংস্কৃতিৰ সেৱাত এগৰাকী নিষ্ঠাবান কৰ্ম্মী হিচাবে আত্ম নিয়োগ কৰিছিল। তেখেতৰ পিতৃ তাৰিণীচৰণ ভট্টাচায্যই বাণ থিয়েটাৰৰ প্ৰতিষ্ঠাৰ সময়ত জৰিত হোৱাৰ লগতে বাণথিয়েটাৰৰ গৃহ নিৰ্ম্মাণৰ বাবে ধন সংগ্ৰহ কৰিছিল। বাণ থিয়েটাৰৰ বাবে বেছি ধন সংগ্ৰহ কৰি তেখেতে মুখ্য ধন সংগ্ৰহ হিচাবে পৰিচিত হৈছিল। বাণ থিয়েটাৰৰ নাটকটো তেখেতে অভিনয় কৰিছিল। দুলাল ভট্টাচাৰ্য্যৰ বাণৰ ষ্টেজ মেনেজাৰ আছিল।

খুৰায়েক কালিচৰণ ভট্টাচাৰ্য্য বাণ থিয়েটাৰৰ সম্পাদকৰ দায়িত্বত আছিল আৰু অভিনয় কৰিছিল। পাৰিবাৰিক ভাবেই দুলাল ভট্টাচাৰ্য্যৰ পৰিয়াল তেজপুৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ লগত জড়িত। দুলাল ভট্টাচাৰ্য্যও একে পথেৰে গৈ এদিন বাণ থিয়েটাৰৰ সদস্যহৈ পিচলৈ সহকাৰী সম্পাদক, ষ্টেজ মেনেজাৰ, সম্পাদক আৰু শেষত ১৯৬৪ চনৰ পৰা ১৯৭৭ চনলৈ প্ৰায় ১৪ বছৰ সভাপতি পদ অলংকিত কৰে। ইয়াৰ পিছত ১৯৮০ চনত নিজা ভাতৃ দেবীচৰণ ভট্টাচাৰ্য্য বাণ থিয়েটাৰৰ সভাপতি হয় তেখেতৰ ভায়েক নগেন ভট্টাচাৰ্য্য বাণ থিয়েটাৰৰ সঙ্গীত সম্পাদক হয়। পৰিয়ালৰ পৰম্পৰা ৰক্ষাকৰি দুলাল ভট্টাচাৰ্য্যৰ পুত্ৰ প্ৰদীপ ভট্টাচাৰ্য্যই তেওঁ অসম শাখা ভাৰতীয় চাহ সস্থাৰ সচিব হৈ থাকোতে বাণথিয়েটাৰক পুনৰ নিৰ্ম্মাণৰ বাবে সস্থাৰ তৰফৰ পৰা মুঠ ৩ লাখ ৭৫ হাজাৰ টকা অনুদান আগবঢ়াই। এই বিষয়ে বাণ থিয়েটাৰৰ ইতিবৃত্তত এনেদৰে উল্লেখ আছে। উল্লেখযোগ্য যে এই নতুন মঞ্চ নিৰ্ম্মাণ কাৰ্য্যত সেই সময়ৰ ভাৰতীয় চাহ সস্থাৰ অসম শাখাৰ সভাপতি শ্ৰীপ্ৰদীপ কুমাৰ ভট্টাচাৰ্য্যৰ সৌজন্যত পোৱা মুঠ তিনিলাখ পঁয়সত্তৰ হেজাৰ টকাৰ অনুদানে এই নতুন মঞ্চৰ নিৰ্ম্মাণ সম্পাদন কৰাত প্ৰভূত বৰঙণি যোগাইছিল।

এই সময় চোৰাতে ঘৰৰ নিচেই কাষৰে অসমীয়া ভাষা উন্নতি সাধিনী সভাৰো তেওঁ প্ৰায় সুদীৰ্ঘ ১০ বছৰ সভাপতি পদত থাকে। আৰু বাণ থিয়েটাৰ অঃ ভাঃ উঃ সা ৰ প্ৰাঙ্গণৰ পৰা উঠাই নিয়াত দুলাল ভট্টাচাৰ্য্য সভাপতি হৈয়ে অঃ ভাঃ উঃ সাঃ সভাৰ জহিখহি যোৱা ঘৰটো নতুনকৈ নিৰ্ম্মাণ কৰিবলৈ লয়।



**তেজপুৰৰ আন এক অন্যতম অনুষ্ঠান অসমীয়া ক্লাৱৰ তেওঁ বহু বছৰ ধৰি সভাপতি পদ অলংকিত কৰিছিল। এই অসমীয়া ক্লাৱ ১৯১৫ চনত জন্ম হয় যদিও পিছলৈ ইয়াৰ বহু কেইগৰাকী সদস্য কংগ্ৰেছ দলৰ লগত জৰিতহৈ পৰাত পিছলৈ এই ক্লাৱৰ মৃত প্ৰায় হোৱাৰ উপক্ৰম হয়। ১৯৭৭ চনত কুশ শৰ্মা, দুলাল ভট্টাচাৰ্য্য, পূৰ্ণ নাৰায়ণ সিংহ, পদ্মকান্ত শৰ্মা, ছৈয়দ খান চাহেব, যতীন্দ্ৰনাথ কোঁচৰ বলিষ্ঠ প্ৰচেষ্টাৰ বাবে হেৰুৱা গৰিমা উদ্ধাৰ কৰি বৰ্ত্তমান শতবৰ্ষ পাৰ কৰিবলৈ ওলাইছে।**

## সমবায় আন্দোলনৰ গুৰিয়াল হিচাপে ঃ

অসমৰ সমবায় আন্দোলনৰ এগৰাকী নিষ্ঠাবান অগ্ৰদুত হিচাবেও দুলাল ভট্টাচাৰ্য্যদেৱ সকলোৰে পৰিচিত। সমবায়ৰ মাধ্যমত ব্যৱসায় কৰা তেখেতৰ অন্যতম আকৰ্ষণ আছিল দ্বিতীয় মহযুদ্ধৰ সময়ত চৰকাৰে তেখেতক সমবায়ৰ “অনাৰেৰী” অৰ্গেনাইজাৰ স্বৰূপে নিযুক্তি দিছিল। তেখেতে অতি নিষ্ঠাৰে বহু বছৰ ধৰি তেজপুৰক কেন্দ্ৰ কৰি সমগ্ৰ জিলাখনৰ সমবায় আন্দোলনৰ গুৰি বঠা ধৰে আৰু ইয়াৰ ফলত বহু কেইটা সমবায় অনুষ্ঠানৰ জন্ম হোৱাৰ লগতে পুৰণি অনুষ্ঠান সমূহো পুনৰ ঠন ধৰি উঠে। বিশ্বনাথ চাৰিয়ালিৰ সমবায় আন্দোলনটো তেখেত বিশেষ ভাবে জড়িত হৈ পৰে। ১৯০৭ চনত ভবানী চৰণ ভট্টাচাৰ্য্যৰ সভাপতিত্বত প্ৰতিষ্ঠা হয় মহাভৈৰৱ কোঃ অপঃ আৰবান বেংক। ইয়াৰ প্ৰায়বোৰ সদস্যই আছিল বঙালী বাবু। অসমীয়া সদস্য আছিল মাত্ৰ তিনিজন। তেওঁলোক হ'ল ৰায় বাহাদুৰ ভৱানীচৰণ ভট্টাচাৰ্য্য, পদ্মনাথ গোহাঁই বৰুৱা আৰু চন্দ্ৰকান্ত বৰুৱা। চন্দ্ৰকান্ত বৰুৱা এই বেংকৰ প্ৰথম অসমীয়া সম্পাদক হয়। পৰৱৰ্ত্তী কালত দুলাল ভট্টাচাৰ্য্য প্ৰায় ১০ বছৰৰ অধিক কাল মহাভৈৰৱ কোঃ অঃ বেংকৰ সম্পাদক আৰু সভাপতি আছিল। এই বেংকক আজিৰ অৱস্থালৈ অনাত দুলাল চন্দ্ৰ ভট্টাচাৰ্য্যৰ অৱদান উল্লেখযোগ্য। অসম চৰকাৰে কোঃ অঃ আইন অথবা সমবায় আইন সংশোধনৰ বাবে যি এখন সমিতি গঠন কৰিছিল ইয়াৰো দুলাল ভট্টাচাৰ্য্য সদস্য আছিল। সমবায় আন্দোলনৰ আইন সংশোধনত এই সমিতিৰ জৰিয়তে তেওঁ বহু কেইটা সংশোধনী আগবঢ়ায়। সমবায়ৰ যোগেদি সমাজৰ সাধাৰণ শ্ৰেণী লোকৰ কল্যাণ হ'ব বুলি তেওঁ আন্তৰিকতাৰে বিশ্বাস কৰিছিল আৰু ইয়াৰ

বাবে অহোপুৰুষাৰ্থ কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত অসম চৰকাৰে তেওঁক 'অনাৰেৰী অৰ্গেনাইজাৰ' পদত নিয়োগ কৰে আৰু এই পদৰ মাজেৰে তেওঁ দৰং জিলাত এক সমবায় আন্দোলন আৰম্ভৰ প্ৰচেষ্টা চলায়।

ৰাজহুৱা জীৱনত অতি নিষ্ঠাৰে ৫০ বছৰ সেৱা আগবঢ়োৱা দুলাল ভট্টাচাৰ্য্য অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ সদস্য আছিল।

## ক্ৰীড়াৰ ক্ষেত্ৰত অৱদান ঃ

ছাত্ৰ অৱস্থাৰ পৰাই সকলো খেলা-ধূলাত দক্ষতা অৰ্জন কৰি দুলাল ভট্টাচাৰ্য্য তেজপুৰ ক্ৰীড়া জগতৰ মহাৰথী হৈ পৰিছিল। তেজপুৰত খেলা-ধূলাত খ্যাতি অৰ্জন কৰাৰ মূলতে আছিল দুলাল চন্দ্ৰ ভট্টাচাৰ্য্য। তেজপুৰৰ ক্ৰীড়াৰ ক্ষেত্ৰত ভট্টাচাৰ্য্য পৰিয়ালৰ বিশেষ অৱদান আছে। খুৰাক কালিচৰণ ভট্টাচাৰ্য্যৰ পৰা বৰ্ত্তমান ৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন ভলীবল খেলুৱৈ অভিজিৎ ভট্টাচাৰ্য্যলৈকে পৰিয়ালত খেলুৱৈ সৃষ্টিত ধাৰাবাহিকতা আছে। দুলাল ভট্টাচাৰ্য্য খেলুৱৈ হোৱাৰ উপৰিও এগৰাকী সুদক্ষ ক্ৰীড়া সংগঠকো আছিল। বেনাৰস হিন্দু বিশ্ব বিদ্যালয়ৰ ক্ৰিকেট দলত তেখেতে খেলিছিল। ১৯২৬-২৭ চনত কলিকতাত পঢ়ি থাকোঁতে অসমীয়া ল'ৰা সকলে ফুটবল টীম গঠন কৰি প্ৰতি যোগিতাত অংশ লৈছিল। শৰত চন্দ্ৰ বৰুৱা গুৱাহাটীৰ টীম চেক্ৰেটৰী আৰু দুলাল ভট্টাচাৰ্য্য কেপ্তেইন আছিল। তেজপুৰৰ ললিত ভূএগ্ৰাও টীমত আছিল। এবাৰ Raymand Challarge Shild প্ৰতিযোগিতাত অংশ লৈ ফাইনেলত হাৰি runners up medal পাইছিল। একেবাৰে তেওঁ ফুটবল, ক্ৰিকেট, ভলী, বেডমিন্টন, টেনিছ সকলো খেলাতে তেখেত এটা সময়ত সকলোতকৈ ওপৰত আছিল। ১৯৪৭ চনতে দুলাল ভট্টাচাৰ্যাই ৰাইজৰ পৰা টকা সংগ্ৰহ কৰি তেজপুৰ টাউন ক্লাৱক শিৱসাগৰ আৰু ডিব্ৰুগড় চহৰত আমন্ত্ৰণ মূলক ফুটবল খেলিবলৈ লৈ গৈছিল। এটা সময়ত ঠাকুৰবাৰী ক্লাৱৰ বৃটিছ বিষয়াসকলৰ লগত ফুটবল আৰু ক্ৰিকেট খেলিবলৈ দুলাল ভট্টাচাৰ্য্যৰ নেতৃত্বত টি বি আৰ ৰেলৰ বিশেষ ৰেলেৰে ঠাকুৰবাৰীলৈ লৈ গৈছিল। দুলাল ভট্টাচাৰ্য্য তেজপুৰ ক্ৰীড়া সন্থাৰ জন্মদাতা আছিল আৰু ২০ বছৰ কাল ইয়াৰ সভাপতি আছিল। তেখেতৰ দিনতে ডুগৰ চিল্ডৰ খেলা আৰম্ভ হয়।



## তেজপুৰ পৌৰসভা ঃ

দুলাল চন্দ্ৰ ভট্টাচাৰ্য্য ১৫ বছৰ কাল তেজপুৰ পৌৰসভাৰ সদস্য আৰু ১৯৬০ চনৰ পৰা ১৯৬৫ চনলৈ ৫ বছৰ কাল সভাপতি আছিল। তেখেত সভাপতি হৈয়ে পৌৰসভাৰ বজাৰখন নতুনকৈ নিৰ্ম্মাণ কৰিবলৈ লয়। আৰু ভৱিষ্যতৰ কথা চিন্তা কৰি তেখেতে পৌৰসভাৰ প্ৰধান পথসমূহ অসম চৰকাৰৰ গড়কাপ্তানি বিভাগলৈ হস্তান্তৰ কৰিবলৈ অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ মূখ্য অভিযন্তাৰ লগত আলোচনা কৰে। সেই সময়ত মূখ্য অভিযন্তা আছিল জামুগুৰিৰ কমলেশ্বৰ বৰুৱাদেৱ। তেখেতে প্ৰধান পথ সমূহ পৰ্য্যায় ক্ৰমে ল'বলৈ প্ৰস্তাৱ গ্ৰহণ কৰি পঠায় আৰু অনুমোদন হয়।

## ১৯৬২ চনৰ চীন ভাৰত যুদ্ধ ঃ

দুলাল ভট্টাচাৰ্য্যৰ ৰাজহুৱা জীৱনৰ এক স্মৰণ তথা উল্লেখ যোগ্য ঘটনা হ'ল ১৯৬২ চনৰ নবেম্বৰ মাহত হোৱা চীন ভাৰতৰ যুদ্ধৰ সময়ত তেখেতে লোৱা ভূমিকা। সেই সময়ত তেখেতে আছিল তেজপুৰ পৌৰসভাৰ সভাপতি। চীনা সৈন্য সকলক অৰুণাচলত বাধা দিব নোৱাৰি ভাৰতীয় সৈন্য সকল অসমৰ মাজেদি নিৰাপদ ঠাইলৈ গমন কৰিলে। তেজপুৰৰ মাজেদি পাৰ হৈ যাওঁতে তেজপুৰৰ মানুহক কৈ গ'ল যে তেওঁলোক আৰু নিৰাপদ নহয়। তেজপুৰৰ দুই এক পৰিয়াল তেজপুৰ এৰিব ধৰিলে। তেজপুৰৰ সৰু বৰ নেতা সকলে ৰাজহুৱা সভাপাতি চীনদেশৰ আক্ৰমণৰ প্ৰত্যাহ্বান জনাবালৈ ৰাইজক আহ্বান জনালে। কিছুমানে বাঁহৰ লাঠী বা ইটা শিলগুটিৰেও চীনা সৈন্য সকলক ভেটিবলৈ ৰাইজক সাজু থাকিবলৈ কৈ নেতা সকল তেজপুৰ চহৰ এৰিলে। ১৯-২০ তাৰিখে চহৰৰ পৰা ভীতিগ্ৰস্ত হৈ নিজৰ ঘৰবাৰী এৰি গুছি যাবলৈ ধৰিলে। স্বয়ং প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ১৯ নবেম্বৰ সন্ধ্যা চীনৰ যুদ্ধৰ পৰাজয় স্বীকাৰ কৰি ল'লে। আৰু দেশবাসীক উদ্দেশ্য কৰি তেখেতে বাণী যোগে জনালে "My heart goes to the people of Assam. চীনা সৈন্য তেজপুৰ পাবহি বুলি তেজপুৰত বিৰাজ কৰিলে এক অতি ভয়াবহ আতংকময় পৰিবেশ। পৌৰসভাৰ সভাপতি দুলাল চন্দ্ৰ ভট্টাচাৰ্য্যই জানিছিল যে এখন চহৰৰ পৌৰসভাৰ সভাপতিজন চহৰখনৰ প্ৰথম নাগৰিক। প্ৰথম নাগৰিক হিচাবে চহৰখনৰ নাগৰিক সকলক সুৰক্ষা দিয়াৰ দায়িত্ব আহি পৰে

যে নিজৰ জীৱনটোতকৈ দায়িত্ব পালন কৰাটো শ্ৰেষ্ঠ বুলি ভাবে। দুলাল ভট্টাচাৰ্য্যই ভাবি-চিন্তি উপায়ুক্তক দেখা কৰি সমস্যাটোৰ বিষয়ে আলোচনা কৰিলেহি। আলোচনাতেই তেখেতে উপায়ুক্তক জনালে যে চহৰখনৰ শেষ নাগৰিকজন থকালৈকে তেখেত চহৰ এৰি নাযায়। আৰু জনালে যে ইভাকুৱেট কৰাৰ পিচতো কিছু মানুহ থাকি যাব পাৰে। দোকান-পোহাৰ বন্ধ হৈ গ'লে থাকি যোৱা মানুহ খিনিক যদি খোৱা বস্তুৰ দৰকাৰ হয় তেনেহ'লে সেই পৰিস্থিতি চম্ভালিবলৈ সমবায় গুদামৰ তলা ভাঙি হ'লেও খোৱা বস্তু যোগান ধৰিব পৰাকৈ তেখেতে উপায়ুক্তৰ পৰা এখন লিখিত আদেশ ললে।

২০ নবেম্বৰ ৰাতিলৈ ব্যস্ততাপূৰ্ণ চহৰে মৰিশালীতকৈও ভয়াবহ এক বাতাবৰণ সৃষ্টি কৰিলে। নিজৰ পুত্ৰ পৰিবাৰক নিৰাপদ ঠাইলৈ আঁতৰ কৰি যিখিনি মানুহ সাহস কৰি থাকি গৈছিল তেওঁলোকেও চীন সৈন্যৰ হাতত বন্দী হোৱাৰ আশঙ্কাত আতংকিত হৈ আছিল। এনে এটা সন্ধিখনতে চহৰৰ পানী যোগান ব্যৱস্থা সামৰিক কৰ্তৃপক্ষই ধ্বংস কৰি দিবৰ কাৰণে ভট্টাচাৰ্য্যৰ পৰা অনুমতি বিচাৰিছিল। কিন্তু হেঁচা আৰু ভাবুকি উলঙ্ঘা কৰি মাত্ৰ এজন মিস্ত্ৰী লৈ পানী যোগান অব্যাহত ৰাখে।

২১ তাৰিখে ৰাতিপুৱাই দুলাল ভট্টাচাৰ্য্যই এটা অনিশ্চিত দিনৰ অভাবনীয় পৰিস্থিতিৰ সন্মুখীন হ'বলৈ ঘৰৰ পৰা ওলাই আহি পুলিচ থানা পালেহি। জেইলৰ পৰা বন্দীসকলক এৰি দিয়া হ'ল। পগলা ফাটেকৰ পৰা এৰি দিয়া মানসিক ৰোগীয়ে চহৰত বিচৰণ কৰিব ধৰিলে। দাগী, বন্দী উৎফুল্লিত হৈ পৰি নিজৰ কাৰ্য্য পন্থাৰ প্ৰথম পদক্ষেপ হিচাবে তেওঁলোকৰ আজন্ম শত্ৰু পুলিচ থানা অভিমুখে গতি কৰিলে থানাত যদি পুলিচ নাই তেন্তে তেজপুৰ চহৰৰ সম্পূৰ্ণ ধন সম্পত্তি তেওঁলোকৰ। সেই সময়ত চহৰৰ স্বাভাৱিক জীৱন ব্যাহত হৈ পৰিছিল। উপায়ুক্ত নাই, হাকিম নাই, পুলিচ নাই। থানাৰ চৌহদত মানুহ গোট খাবলৈ ধৰিলে আৰু চিঞৰিব ধৰিলে যদি খোৱা বস্তু নাপাই তেনেহ'লে দোকান-পোহাৰ ভাঙি খোৱা বস্তু উলিয়াই আনিব। দুলাল ভট্টাচাৰ্য্যই যি সাহস আৰু দৃঢ়তাৰে পৰিস্থিতি চম্ভালি ক্ষুধাতুৰ ৰাইজক পৰিচয্যা কৰিছিল সেই স্মৃতি আজিও বিদ্যামান। এই কথা তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই বিধান সভাৰ মজিয়াত উপস্থাপন কৰি দুলাল ভট্টাচাৰ্য্যদেৱক প্ৰশংসা সূচক বাণী আগবঢ়াইছিল।



আনহাতে তেজপুৰ অসামৰিক প্ৰতিৰক্ষা সংগঠনৰ মুখ্য ওৱাৰ্ডেন শ্ৰীদুলাল চন্দ্ৰ ভট্টাচাৰ্য্যক এই সংগঠনৰ প্ৰতি আগবঢ়োৱা তেখেতৰ বিশেষ প্ৰশংসনীয় সেৱাৰ স্বীকৃতি স্বৰূপে যোৱা স্বাধীনতা দিৱসত ৰাষ্ট্ৰপতিৰ পদক প্ৰদানৰ কথা ঘোষণা কৰা হৈছে। অসমৰ পৰা প্ৰথম বাৰৰ কাৰণে এনে সেৱাৰ বাবে সৰ্বপ্ৰথম এই সন্মান প্ৰদৰ্শনৰ কাৰণে তেজপুৰবাসী আনন্দ হৈছে। বাস্তৱ দৃষ্টিত আজীৱন শিক্ষানুৰাগী, শিক্ষাব্ৰতী আৰু শিক্ষাৰ ক্ষেত্ৰত অসীম স্বাৰ্থত্যাগৰ লগতে ৰাজহুৱা জীৱনত আগবঢ়োৱা আশাশুধীয়া সেৱাৰ বিনিময়ত এই সন্মানৰ মুল্যায়ণ বিশেষ একোৱেই নহয় যদিও অসামৰিক প্ৰতিৰক্ষাৰ ক্ষেত্ৰত চীন ভাৰত সংঘৰ্ষৰ কালৰে পৰা আজিলৈকে যি সেৱা আগবঢ়াই আহিছে, তাৰ কাৰণে এই সন্মাণ প্ৰদানৰ ব্যৱস্থা লোৱা হয়। (শ্ৰীতাৰাপ্ৰসাদ শইকীয়া মহাজাতি ২৬ আগষ্ট ১৯৭৯)।

## সামৰণি ঃ

'শিক্ষা আৰু জ্ঞান বিস্তাৰেই যাৰ ধৰ্ম্ম, সমবায় আন্দোলন যাৰ প্ৰাণ, দৰিদ্ৰতাৰ বিৰুদ্ধে অক্লান্ত যুদ্ধই যাৰ জীৱন সঙ্গী, মানব প্ৰেমী, নিৰ্ভীক, উদাৰ খেলুৱৈ সুলভ প্ৰাণবন্ত পুৰুষ দুলাল চন্দ্ৰ ভট্টাচাৰ্য্য'ৰ জীৱন তেজপুৰ তথা অসমৰে বহু অনুষ্ঠান প্ৰতিষ্ঠান ব্যক্তিৰ জীৱনৰ লগত অতি ওত:প্ৰোত ভাবে জড়িত। তেজপুৰৰ সামাজিক জীৱনৰ বৈভৱ এই গৰাকী মহান মহোতৈষী মহীয়ান ব্যক্তিৰ জীৱন বৰ্ণাঢ্য আৰু বহুধা বিচিত্ৰ। এনে এখনি চমু জীৱনীতে তেওঁৰ বিষয়ে সকলো কথা সামৰাটো সম্ভৱ নহয়।

◆◆◆